লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# ভঙা কলম

জ্যোতিৰ্ময় কলিতা

ভালপোৱাবোৰ

তাতেই শেষ হৈছিল

য'ত গোলাপ পাহি মৰহিছিল

নেদেখা নদীৰ ঘাটত

ছন্দহীন হৈ পৰা দিনৰে পৰা

ক্ৰমাৎ অসুখীয়া হৈ পৰিছিল

এই জীৱন..

হাঁহিটো কৃত্ৰিম আছিল

জীৱনে দিয়া অখালডাঁৰবোৰ

অবৰ্ণনীয় আছিল

সুৰৰ সলনি বাজিছিল

বিকৃত চিঞৰ

ডেডাউৰি ফালি

বাৰে বাৰে আগচি ধৰি

অঙ্কুশে বিন্ধাদি বিন্ধিছিল

ক্লান্ত শৰীৰ..

প্ৰতি সৰাপাতে বয়স আওৰাই

খোজে প্ৰতি প্ৰতিযোগিতা

লাস-বিলাস, সুখ-দুখ, হাঁহি-কান্দোন

জ্ঞানৰ ভঁৰাল পুষ্ট

ডাষ্টবিনত পৰিণত

মন-মগজ ভ্ৰষ্ট..

জীৱন এক বাটৰ নাট

চলিলে দ্ৰুতবেগী ঘোঁৰা

নচলিলে ঢেমা ধৰা

সম্ভাৱিতাৰ সম্ভাৱনা

লাগে মাথোঁ একাত্মতা..

জেওৰাৰ খুঁটি এই ভাঙে

আকৌ জোঙাই আৰু পোতে

লাহে লাহে চুটি এই জীৱন

সফলতাৰ আঁৰৰ নেদেখা মুখখন

সদায় ইনভিজিবল..

যোগ বিয়োগ পূৰণ হৰণৰ অমিল অংকত

দোমোজাত তুমি, মই

বাটে ঘাটে প্ৰতিখোজে

অগা-ডেৰা কাঁইটীয়া তাঁৰৰ,

উকা কাগজৰ টুকুৰাত

জোখ মাখ প্ৰাপ্তি অপ্ৰাপ্তিৰ

প্ৰতিমূহুৰ্তত লিপিবদ্ধ অপ্ৰাপ্তিৰ বেদনা

জীৱন সোঁৱৰণি

প্ৰাপ্তিৰ অপমৃত্যুত

ভঙা কলমত জীৱনী.

**যোগাযোগৰ ঠিকনা:**
kalitaj70@gmail.com
8256824166